2026

ASSAMESE

(Major)

Anandaram Dhekial Phookan College Library
Acc. No.
Date
* Nagaon : Assam *

Paper Code : ASS4200404MJ

(আধুনিক অসমীয়া গীতিসাহিত্য)

Full Marks : 60

Time : 2½ hours

The figures in the margin indicate full marks for the questions.

১। অতি চমু উত্তৰ লিখা : ১×৮=৮

(ক) "অসমীয়া গীতিসাহিত্য" গ্ৰন্থখনৰ লেখক কোন?

(খ) "অ'মোৰ আপোনাৰ দেশ" গীতটি লক্ষ্মীনাথ বেজবৰুৱাই প্ৰথমে কি নামেৰে ৰচনা কৰিছিল?

(গ) অসমীয়া গীতিসাহিত্যৰ প্ৰথম লিখিত নিদৰ্শন কি?

(ঘ) কমলানন্দ ভট্টাচাৰ্য্যৰ গীতৰ সংকলন "বাউলী" কিমান চনত প্ৰকাশিত হৈছিল?

(ঙ) "লুইত কোঁৱৰ" বুলি কাক জনা যায়?

(চ) হীৰেণ ভট্টাচাৰ্য্যই কোনখন গ্ৰন্থৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল?

(ছ) নিৰ্মলপ্ৰভা বৰদলৈৰ ছদ্মনাম কি?

(জ) তফজ্জুল আলিৰ এখন গীতৰ সংকলনৰ নাম উল্লেখ কৰা।

২। চমু উত্তৰ লিখা (যি কোনো **ছয়টা**) : ২×৬=১২

(ক) গীত আৰু গীতিকবিতাৰ মাজত দুটা পাৰ্থক্য লিখা।

(খ) ৰাভা সংগীতৰ দুটা বৈশিষ্ট্য লিখা।

(গ) গীতৰ শব্দচয়নত থাকিবলগীয়া দুটা দিশ উল্লেখ কৰা।

(ঘ) লক্ষ্মীনাথ বেজবৰুৱাৰ নাটকৰ গীতৰ দুটা বৈশিষ্ট্য লিখা।

(ঙ) বিষ্ণুপ্রসাদ ৰাভাক 'কলাগুৰু' উপাধি কোনে আৰু ক'ত প্ৰদান কৰিছিল?

(চ) 'বনগীত' আৰু 'বিহুগীত'ৰ মাজৰ দুটা পাৰ্থক্য উল্লেখ কৰা।

(ছ) পাৰ্বতী প্ৰসাদ বৰুৱাই সভাপতিত্ব কৰা অসম সাহিত্যসভাৰ অধিবেশনখন কেতিয়া আৰু ক'ত অনুষ্ঠিত হৈছিল?

(জ) হীৰেণ ভট্টাচাৰ্য্যৰ "আমোল-মোল শেৱালিৰ গোন্ধ" গীতটিৰ কেন্দ্ৰীয় ভাৱ কি? আৰু ইয়াত কোনটো ঋতুৰ বিষয়ে কোৱা হৈছে?

(ঝ) নিৰ্মলপ্ৰভা বৰদলৈৰ গীতৰ পুথি দুখনৰ নাম লিখা।

(ঞ) ভূপেন হাজৰিকাৰ "বিস্তীৰ্ণ পাৰৰে" গীতটি কোনজন শিল্পীৰ, কোনটো গীতৰ পৰা অনুপ্ৰাণিত হৈ ৰচনা কৰিছিল?

Jal Phookan College Library
Acc. No.
Date
Anandaram Tamuli * Nagaon * Assam

৩। উত্তৰ লিখা (যি কোনো **চাৰিটা**) : ৫×৪=২০

(ক) গীতৰ ভাষাৰ বিষয়ে এটি চমু টোকা লিখা।

(খ) লক্ষ্মীনাথ বেজবৰুৱাৰ গীতত জাতীয় চেতনা কিদৰে প্ৰকাশিত হৈছে?

(গ) "লুইতৰ পাৰৰে আমি ডেকা ল'ৰা" গীতটিৰ মাজেৰে অসমীয়া ডেকাই অন্যায়ৰ বিৰোধিতা কৰা কথাষাৰ আলোচনা কৰা।

(ঘ) "বিলত তিৰেবিৰাই" গীতটিৰ মাজেৰে প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্য বৰ্ণনা কৰা।

(ঙ) "কেকো বাও" গীতটিৰ মূল বিষয়বস্তু আলোচনা কৰা।

(চ) "হঞেৰা জেতুকী বাই" গীতটিৰ জেতুকী বাই চৰিত্ৰটিৰ এক চমু আলোকপাত কৰা।

(ছ) "বহুদিন বকুলৰ গোন্ধ পোৱা নাই" গীতটিৰ মাজেৰে অতীতৰ স্মৃতি কিদৰে প্ৰতিফলিত হৈছে, বুজাই লিখা।

(জ) অসমীয়া সংগীত জগতলৈ বিষ্ণুপ্ৰসাদ ৰাভাৰ অৱদান সম্পৰ্কে আলোচনা কৰা।

৪। ৰচনাধৰ্মী প্ৰশ্নৰ উত্তৰ লিখা (যি কোনো **দুটা**) : ১০×২=২০

(ক) গীতিসাহিত্যৰ স্বৰূপ বৰ্ণনা কৰি এক প্ৰৱন্ধ যুগুত কৰা।

(খ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীতৰ বৈপ্লৱিক স্বদেশানুৰাগৰ সম্পৰ্কে আলোচনা আগবঢ়োৱা।

(গ) "আজি ফাগুনৰ পুৱা, বেলাতে" গীতটিত প্ৰকাশ পোৱা প্ৰকৃতি চিত্ৰণৰ এক আলোকপাত দাঙি ধৰা।

(ঘ) ভূপেন হাজৰিকাৰ "বিস্তীৰ্ণ পাৰৰে অসংখ্য জনৰে" গীতটিত মানৱ-সমাজৰ দূৰ্নীতি, অৱক্ষয়ৰ প্ৰতিফলন কিদৰে ঘটিছে, আলোচনা কৰা।

(ঙ) "সোণৰ খাৰু নেলাগে মোক" গীতটিত গীতিকাৰে নাৰীৰ মনৰ ভাৱ কেনেদৰে প্ৰতিফলিত কৰিছে, এক বিশ্লেষণাত্মক আলোচনা আগবঢ়োৱা।

★★★

Dhekial Phookan College Library
Acc. No.
Date
Assam